**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-MAY-2026 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সন্দৰ্ভত লোৱা সংকল্প প্ৰস্তাৱ গৃহীত। অধিৱেশনৰ আজি অন্তিম দিনা ইউ চি চি বিধেয়ক গৃহীত হোৱাৰ সম্ভাৱনা।

২। জুলাইৰ প্ৰথম সপ্তাহত হ'বলগীয়া বাজেট অধিৱেশনত মূল্যবৃদ্ধি ৰোধৰ বাবে বিশেষ নীতি ধাৰ্য কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ সংকল্প।

৪। অসম কংগ্ৰেছৰ বিধায়িনী দলৰ নেতা হিচাপে ৰাজেদ আলী চৌধুৰী আৰু উপ-দলপতি হিচাপে ড০ জয় প্ৰকাশ দাসক নিযুক্তি।

**আৰু**

৫। বিগত বৰ্ষৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ আই পি এলৰ ফাইনেলত প্ৰৱেশ। আজি প্ৰথম নকআউট খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি।

০০০০০০০০০

ষোড়শ অসম বিধানসভা অধিৱেশনৰ কালি চতুৰ্থ দিনা মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সন্দৰ্ভত লোৱা চৰকাৰী সংকল্প প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গৃহীত হয়। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী অজন্তা নেওগে যোৱা ২৫ মে'ত সদনত উত্থাপন কৰা এই সংকল্প প্ৰস্তাৱৰ সমৰ্থন আৰু বিৰোধিতা কৰি কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি মুঠ ২৯ গৰাকী বিধায়কে নিজ নিজ বক্তব্য ৰাখে আৰু সৰ্বসন্মতিক্ৰমে এই সংকল্প প্ৰস্তাৱটো গৃহীত হোৱা বুলি অধ্যক্ষ ৰণজিত কুমাৰ দাসে ঘোষণা কৰে। আজি অধিৱেশনৰ পঞ্চম তথা অন্তিম দিনা বহুচৰ্চিত ইউ চি চি বিধেয়কখন গৃহীত কৰা হ'ব। বিধেয়কখনক লৈ বিধানসভাত আজি তুমুল বিতৰ্ক হোৱা সম্ভাৱনা আছে।

০০০০০০০০০

ৰাজ্য চৰকাৰে সামগ্ৰীৰ মূল্য বৃদ্ধি নিয়ন্ত্ৰণ তথা জনসাধাৰণক কিছু পৰিমাণে ইয়াৰ পৰা সকাহ দিবৰ বাবে অহা জুলাইৰ প্ৰথম সপ্তাহত দাখিল কৰিবলগা বাজেটত বিশেষ ৰূপৰেখা প্ৰস্তুত কৰিব বুলি কালি সদনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। বিধানসভাত ৰাজ্যপালে দিয়া ভাষণৰ বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰীয়ে

কয়, যে ইৰান আৰু আমেৰিকাৰ যুদ্ধ তথা হৰমুজ প্ৰণালীৰ অস্থিৰতাই সমগ্ৰ বিশ্বৰে আৰ্থিক গতি স্থবিৰ কৰিছে। স্বাভাৱিকতে ভাৰতৰ লগতে অসমতো ইয়াৰ ভয়াৱহ প্ৰভাৱ পৰাটো সকলোৰে পৰিলক্ষিত হৈছে। বিশেষকৈ সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ বিষয়টো অতি চিন্তাজনক আৰু ৰাজ্য চৰকাৰে এই দিশত আন্তৰিকতাৰে গুৰুত্ব আৰোপ কৰি সমাধানৰ বাবে চেষ্টা চলাই থকা বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নতুন চৰকাৰখনে মূল্য বৃদ্ধি ৰোধ তথা বজাৰ নিয়ন্ত্ৰণ কৰি ৰখাৰ বাবে ইতিমধ্যে দায়িত্ব লোৱাৰ পাছতে তাৎক্ষণিকভাৱে ব্যয় সংকোচন কৰাৰ দিশত দৃঢ়তাৰে কাম কৰি মিতব্যয়ীতাৰ কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। অনাগত বাজেটত ৰাহি হোৱা ধনেৰে মূল্য বৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ দিব পৰা ফলপ্ৰসূ নীতিৰ ৰূপৰেখাও ৰাজ্য চৰকাৰে তৈয়াৰ কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি অহা জুলাইৰ প্ৰথম সপ্তাহতে ৰাজ্য চৰকাৰে বাজেট দাখিল কৰিব আৰু সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰো ব্যৱস্থা কৰিব। তেওঁ লগতে পেট্ৰ'ল আৰু ডিজেলৰ আন্তৰ্জাতিক বজাৰ মূল্য দ্ৰুতগতিত বৃদ্ধি হোৱাৰ বাবে অনাগত সময়ত ৰাজ্যত খাদ্য তথা অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধি আগতীয়া ইংগিতো লাভ কৰা বুলি জানিবলৈ দিয়ে। ভাৰতে ইন্ধনৰ লগতে কৃষিজাত তথা অন্যান্য বহু সামগ্ৰী বিদেশৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱাৰ বাবে যুদ্ধ পৰিৱেশত দেশৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰ যোৱা ৪ মাহত হ্ৰাস পোৱা বুলি উল্লেখ কৰি তেওঁ পূৰ্বে জমা থকা ৭২০ বিলিয়ন বিদেশী মুদ্ৰা এতিয়া হ্ৰাস হৈ ৬৮৮ বিলিয়ন হোৱা বুলি সদনত জনায়। অৱশ্যে এই কঠিন সময়তো দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় নীতিয়ে ভাৰতৰ লগতে অসমকো বিপদৰ পৰা উদ্ধাৰ কৰিব বুলি ড০ শৰ্মাই ভাষণত কয়।

**ৰাইট (চি এম-১)**

০০০০০০০০

- ৰাজ্যৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ অংগীকাৰ লৈছে। ষোড়শ অসম বিধানসভা অধিৱেশনৰ কালি চতুৰ্থ দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উন্নয়ন, সুশাসন আৰু জনকল্যাণৰ জৰিয়তে এখন শক্তিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। কালি সদনত দিয়া ভাষণ প্ৰসংগত তেওঁ ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উল্লেখনীয় পৰিৱৰ্তনৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰে। তেওঁ কয়, যে গোৱালপাৰা, বজালী আৰু হাইলাকান্দিকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত ১৪ খন চিকিৎসা মহাবিদ্যালয় ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ১১ খনৰ নিৰ্মাণকাৰ্য চলি আছে। অহা ৫ বছৰৰ ভিতৰত অসমৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ আগবাঢ়িছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অসমে প্ৰসূতি মৃত্যুৰ হাৰ হ্ৰাস কৰি ৰাষ্ট্ৰীয় গড়কো অতিক্ৰম কৰিছে। ৰাজ্যত প্ৰসূতি মৃত্যুৰ হাৰ ২০০৬ চনত প্ৰতি লাখৰ বিপৰীতে ৪৮০ আছিল যদিও এই হাৰ চলিত বছৰত ৮৪ লৈ হ্ৰাস পাইছে। এই হাৰ ৰাষ্ট্ৰীয় গড় ৮৭তকৈ কম হোৱাটো অসমৰ স্বাস্থ্য খণ্ডৰ বাবে এক উল্লেখযোগ্য সফলতা বুলি তেওঁ কয়।

**ৰাইট (চি এম-২)**

০০০০০০০০

সৰ্ব ভাৰতীয় কংগ্ৰেছ কমিটীয়ে অসমত কংগ্ৰেছ বিধায়িনী দলৰ নেতা হিচাপে ৰাজেদ আলী চৌধুৰীক আৰু উপ-নেতাৰূপে ড০ জয় প্ৰকাশ দাসক নিযুক্তি দিছে। দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি

বেনুগোপালে জনোৱা অনুসৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিয়ে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এই নিযুক্তি প্ৰদান কৰিছে। উল্লেখযোগ্য যে এইবাৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে ১৯ খন আসন লাভ কৰিছিল।

০০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ বিশেষ ফাষ্টট্ৰেক আদালতে কালি ৭জন অভিযুক্তৰ বিৰুদ্ধে বিচাৰৰ ধাৰা আৰোপ কৰে। আদালতে পৰৱৰ্তী পৰ্যায়ত হত্যা, অপৰাধমূলক ষড়যন্ত্ৰ, মৃত্যুৰ মুখলৈ থেলি দিয়া আদি অপৰাধৰ বাবে থকা ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰাৰ অধীনত অভিযুক্তসকলৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। উল্লেখযোগ্য যে অভিযুক্তসকলৰ কোনো এগৰাকীয়েও নিজৰ দোষ স্বীকাৰ নকৰাৰ বাবে আদালতে অহা ৮ জুনত গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কথা উল্লেখ কৰে। সেইদিনাৰ পৰাই সাক্ষীক আদালতত হাজিৰ কৰোৱাৰো নিৰ্দেশ দিয়া হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ তদন্তকাৰী গোটে ৩৯৪জন লোকক সাক্ষী হিচাপে দেখুওৱাই ইতিমধ্যে আদালতত তালিকা দাখিল কৰিছে। এই সন্দৰ্ভত চৰকাৰী অধিবক্তা জিয়াউল কামাৰে এইদৰে কয়-

**-বাইট-**

উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ পাছত বিশেষ তদন্তকাৰী গোটে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দিপন গাৰ্গ, শেখৰজ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে বিশেষ তদন্তকাৰী গোটে সাতোজন অভিযুক্তক ভাৰতীয় ন্যায় সংহিতাৰ বহুকেইটা ধাৰাত অভিযুক্ত কৰি আদালতত অভিযোগনামা দাখিল কৰে। পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰৰ অনুৰোধমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দৈনিক শুনানিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এই শুনানিত জিয়াউল কামাৰ নেতৃত্বাধীন বিশেষ লোকঅধিবক্তাৰ দলে অভিযুক্তসকলৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি আহিছে। অভিযুক্ত কেইজনৰ অধিবক্তাসকলে অভিযুক্তসকলক নিৰ্দোষী বুলি কৈ বিভিন্ন যুক্তি আগবঢ়াই আহিছে।

০০০০০০০

চুবুৰীয়া দেশৰ পৰা হোৱা ব্যাপক অনুপ্ৰৱেশৰ বাবে দেশৰ সীমান্তৱৰ্তী অঞ্চলসমূহত জনবিন্যাস পৰিৱৰ্তনৰ বিষয়টোক লৈ কেন্দ্ৰীয় চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। জনবিন্যাস পৰিৱৰ্তনে পেলোৱা প্ৰভাৱৰ পৰ্যালোচনাৰ লগতে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কেন্দ্ৰই এখন উচ্চস্তৰীয় সমিতি গঠন কৰিছে। কালি সামাজিক মাধ্যমত এই বিষয়ে ঘোষণা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে জনবিন্যাসৰ পৰিৱৰ্তন দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। নৱগঠিত এই সমিতিয়ে কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ জনসংখ্যা অস্বাভাৱিক বৃদ্ধি, ধৰ্মান্তৰকৰণ, লাভ জেহাদ, ভূমি জেহাদ আদি বিষয়সমূহ বিবেচনালৈ আনিব বুলি তেওঁ জানিবলৈ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰকাশ প্ৰভাকৰ নাওলেকৰক এই সমিতিৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। সমিতিৰ সদস্য হিচাপে আছে প্ৰাক্তন আই এ এছ বিষয়া দুৰ্গা শংকৰ মিশ্ৰ, বালাজী শ্ৰীবাস্তৱ আৰু অৰ্থনীতিবিদ ড০ শমিকা ৰবি। আনহাতে গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিবে সমিতিখনৰ সদস্য সচিব হিচাপে দায়িত্ব পালন কৰিব। জনগাঁথনিৰ পৰিৱৰ্তনে সৃষ্টি কৰা ভাবুকিৰ বিষয়টো পৰ্যবেক্ষণ কৰাৰ লগতে এই অস্বাভাৱিক পৰিৱৰ্তন বিশ্লেষণ কৰি সমিতিখনে চৰকাৰক পৰিকল্পিত সময়োপযোগী সমাধানৰ প্ৰস্তাৱ দিব। উল্লেখযোগ্য যে ২০২৫ৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সমিতিখনৰ কথা প্ৰথমবাৰৰ বাবে ঘোষণা কৰিছিল।

00000000

ধৰমশালাত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰানত পৰাস্ত কৰি যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে ফাইনেলত প্ৰৱেশ কৰিছে।

বেংগালুৰুৱে নিৰ্ধাৰণ দিয়া ২৫৫ ৰানৰ বিশাল লক্ষ্য অনুসৰণ কৰি গুজৰাট টাইটানছে ৩ টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬২ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাহুল তেৱাটিয়াই সৰ্বাধিক ৬৮ ৰান কৰে। বেংগালুৰুৰ হৈ জেকব ডাফীয়ে সৰ্বাধিক ৩ টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে টছত জিকা গুজৰাট টাইটানছৰ আমন্ত্ৰণমৰ্মে প্ৰথমে বেটিং কৰিবলৈ নামি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৫৪ ৰান কৰে। দলটোৰ হৈ ৰজত পাটিদাৰে মাত্ৰ ৩৩ টা বলত ৯৩ ৰান কৰি আউট নোহোৱাকৈ ৰয়। বিৰাট কোহলী আৰু ক্ৰুণাল পাণ্ডিয়াই ৪৩ ৰানকৈ অৰিহণা যোগায়। গুজৰাটৰ হৈ কাগিছ' ৰাবাড়া আৰু জেছন হ'ল্ডাৰে দুটাকৈ উইকেট লাভ কৰে। ৰজত পাটিদাৰক 'প্লেয়াৰ অৱ দ্য মেচ' নিৰ্বাচিত কৰা হয়।

আজি মোহালীৰ নিউ চণ্ডীগড়ত 'এলিমিনেটৰ' মেচখনত ছানৰাইজাৰ্চ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। আজিৰ মেচখনৰ বিজয়ী দলটোৱে ফাইনেলত প্ৰৱেশৰ বাবে দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000000

অসম বিধানসভাত বিগত কাৰ্যকালৰ প্ৰাপ্তিৰ লগতে অহা ৫ বছৰৰ ৰূপৰেখাক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন মন্তব্য, শিল্পী জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ ৭ জন অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ ধাৰা, মীন বিভাগৰ ৮গৰাকী বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিবেশনৰ কালি চতুৰ্থ দিনা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিগত কাৰ্যকালৰ খতিয়ান আৰু নতুন কাৰ্যকালৰ সংকল্পসমূহক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মুখ্যমন্ত্ৰীৰ ভিন ভিন মন্তব্য বা ঘোষণাক লৈ আজি কাকতসমূহে বাতৰি যুগুত কৰিছে। দৈনিক জনমভূমি কাকতে এই সম্পৰ্কীয় এটা বাতৰি **দেশৰ গড় হাৰতকৈ কমিল প্ৰসূতিৰ মৃত্যুৰ হাৰ, ৫ বছৰত ৰাজ্যৰ জি ডি পি ৮ দশমিক ৭-১ লাখ টকালৈ বৃদ্ধি** শিৰোনামেৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে **বিধানসভা অধিবেশনৰ চতুৰ্থ দিনা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দুটা বৃহৎ ঘোষণা** শীৰ্ষকেৰে ইউ চি চি আৰু দাৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ সংখ্যা হ্ৰাস কৰাৰ লক্ষ্য সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্য বিস্তাৰিতভাবে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনত বাতৰিটোৰ শিৰোনাম CM'S REPLY TO DEBATE ON MOTION OF THANKS, STATE TO BECOME RS 10 LAKH-CR ECONOMY BY 2028 : SARMA।

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি প্ৰক্ৰিয়াৰ বাতৰিটো আজি কাকতসমূহে অগ্ৰাধিকাৰ দিছে। আমাৰ অসম কাকতে বাতৰিটো **জুবিন মৃত্যু গোচৰ, ৮জুনৰ পৰা বিচাৰ প্ৰক্ৰিয়া, সিদ্ধাৰ্থ, শ্যামকানুসহ পাঁচ অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ চাৰ্জফ্ৰেম** শিৰোনামেৰে প্ৰকাশ কৰিছে। দ্য চেণ্টিনেল কাকতত বাতৰিটোৰ শীৰ্ষক- **ZUBIN DEATH CASE-COURT FRAMES CHARGES AGAINST ALL 7 ACCUSED**।

মীন বিভাগৰ দুৰ্নীতি গোচৰত দুগৰাকী এ চি এছসহ ৮গৰাকী বিষয়াক দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰা বাতৰি এটা অসমীয়া প্ৰতিদিন, দৈনিক অসম, দৈনিক অগ্ৰদূতকে ধৰি কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো অসমীয়া খবৰ কাকতে-**মাছ খাই নহ'ল হজম। মীন নিগমৰ দুই এম ডি, অভিযন্তাসহ আঠ বিষয়া-কৰ্মচাৰীক একেদিনাই গ্ৰেপ্তাৰ দুৰ্নীতি নিবাৰকৰ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০০

**সমাপ্ত**